নং ঃ ৭৫/২০২১

# লোক নিৰ্মাণ (গৃহ) বিভাগৰ অধীনত ৰূপায়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

নিৰ্মিয়মাণ প্ৰকল্পসমূহৰ কাম-কাজ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ লোক নিৰ্মাণ (গৃহ) বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ১০০ কোটি টকা প্ৰকল্প ব্যয়ৰ ঊৰ্ধ্বৰ সকলো প্ৰকল্পতে 'প্ৰজেক্ট মেনেজমেণ্ট কনচালটেণ্টছ্' নিয়োগ কৰাটো বাধ্যতামূলক কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৯ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোক নিৰ্মাণ (গৃহ) বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ বিভাগটোৰ অধীনত ৰূপায়িত হৈ থকা কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মেডিকেল কলেজ হাস্পতাল চৌহদত নিৰ্মিয়মাণ ছুপাৰ স্পেচিয়েলিটী হস্পিটেল, শিলচৰ মেডিকেল কলেজ হাস্পতালত নিৰ্মিয়মাণ ৫০০ খন বিছনাযুক্ত জৰুৰীকালীন চিকিৎসালয়, গুৱাহাটীৰ অসম কনভেনশ্যন চেণ্টাৰ আৰু ৰাজ্যিক অতিথিশালা, নাৰায়ণপুৰৰ মাধৱদেৱ কলাক্ষেত্ৰৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত নিৰ্মাণকাৰ্য চলি থকা নতুন মেডিকেল কলেজসমূহৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়।

নিৰ্মিয়মাণ প্ৰকল্পসমূহৰ কাম-কাজ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। ধুবুৰী, নগাঁও, নলবাৰী আৰু তিনিচুকীয়া মেডিকেল কলেজৰ নিৰ্মাণকাৰ্য ক্ষীপ্ৰ কৰি তোলাৰ নিৰ্দেশ দিয়াৰ লগতে অহা বছৰৰ পৰা ধুবুৰী অথবা নলবাৰী মেডিকেল কলেজৰ পাঠদান আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে চৰাইদেউ, বিশ্বনাথ আৰু গুৱাহাটীৰ দ্বিতীয়খন মেডিকেল কলেজৰ অগ্ৰগতিৰো বুজ লোৱাৰ উপৰি মৰিগাঁও আৰু ধেমাজি মেডিকেল কলেজৰ বাবে ভূমি আবণ্টন, আৰ্কিটেক্ট নিযুক্তি আদি প্ৰাৰম্ভিক কাম-কাজ এমাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

লোক নিৰ্মাণ বিভাগৰ অধীনত ৰূপায়িত ১০০ কোটি টকা প্ৰকল্প ব্যয়ৰ উৰ্ধ্বৰ সকলো প্ৰকল্পতে ‘প্ৰজেক্ট মেনেজমেণ্ট কনচালটেণ্টছ্’ নিয়োগ কৰাটো বাধ্যতামূলক কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ (গৃহ) আৰু লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ শেহতীয়া অনুমোদিত নিৰিখৰ তালিকা সম্বলিত তিনিখন পুস্তিকাও উন্মোচন কৰে।

আজিৰ এই বৈঠকত স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তীৰ লগতে বিভাগ দুটাৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৯/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in